# OFFICE OF THE PRINCIPAL
# NORTH LAKHIMPUR COLLEGE
(An Autonomous College Affiliated to Dibrugarh University)
COLLEGE WITH POTENTIAL FOR EXCELLENCE PHASE –II
P.O.- KHELMATI – 787031, North Lakhimpur , Assam
(Accredited by NAAC with "B++" grade, 2.9 CGPA)
Website : www.nlc.ac.in, e-mail: nlcollege.autonomous@gmail.com , Phone : 03752-222174(O),22119®,94350-86753(m),Fax : 03752-232234


**Ref No:NLC/Admission/2025/244** **Date:28/04/2025**

## নামভৰ্ত্তিৰ জাননী - ২০২৫
## (স্নাতক আৰু সংহত পাঠ্যক্ৰম)

নৰ্থ লখিমপুৰ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ২০২৫-২৬ বৰ্ষৰ স্নাতক (কলা আৰু বিজ্ঞান) (FYUGP), সংহত স্নাতকোত্তৰ (কলা আৰু বিজ্ঞান) (ITPG), BCA, BPES, B Voc (ভ্ৰমণ আৰু পৰ্যটন ব্যৱস্থাপনা)ৰ প্ৰথম বৰ্ষৰ নামভৰ্তিৰ বাবে আবেদন প্ৰক্ৰিয়া অসম চৰকাৰৰ শিক্ষা বিভাগৰ ই-সমৰ্থ পৰ্টেলৰ জৰিয়তে অনলাইনযোগে আৰম্ভ কৰা হৈছে। আবেদন পত্ৰ পূৰণ কৰাৰ সময়ত আবেদনকাৰীয়ে তলৰ দিশবোৰ মন কৰিব।

১) একাধিক পাঠ্যক্ৰমৰ বাবে আবেদন কৰিব বিচৰা আবেদনকাৰীয়ে প্ৰতিটো পাঠ্যক্ৰমৰ বাবে পৃথক-পৃথককৈ আবেদন কৰিব লাগিব। উদাহৰণস্বৰূপে, যদি কোনো আবেদনকাৰীয়ে স্নাতক (কলা বা বিজ্ঞান) বা সংহত স্নাতকোত্তৰ পাঠ্যক্ৰম অৰ্থনীতি বিষয়ক প্ৰধান বিষয় হিচাপে লৈ অধ্যয়ন কৰিবলৈ বিচাৰে তেন্তে তেওঁলোকে প্ৰতিটো পাঠ্যক্ৰমৰ বাবে পৃথক পৃথককৈ আবেদন কৰিব লাগিব।

২) মহাবিদ্যালয়খনত Integrated M.A./M.Sc. (ITPG) পাঠ্যক্ৰম থকা বিষয়সমূহ হৈছে — অসমীয়া, উদ্ভিদ বিজ্ঞান, ৰসায়ন বিজ্ঞান, অৰ্থনীতি, শিক্ষা, অণুবিদ্যুৎ বিভাগ, ইংৰাজী, পদাৰ্থ বিজ্ঞান, ৰাজনীতি বিজ্ঞান আৰু প্ৰাণীবিজ্ঞান। এই পাঠ্যক্ৰমসমূহৰ বাবে নামভৰ্তি উচ্চতৰ মাধ্যমিক বা ১০+২ পৰ্যায়ৰ পৰীক্ষাত পোৱা নম্বৰৰ শতাংশৰ ওপৰত ভিত্তি কৰি হ'ব।

৩) স্নাতক (কলা আৰু বিজ্ঞান) পাঠ্যক্ৰমত ২০ শতাংশ আসন CUET নম্বৰৰ ভিত্তিত নামভৰ্ত্তি কৰা হ'ব, বাকী ৮০ শতাংশ আসন দ্বাদশ শ্ৰেণীত পোৱা নম্বৰৰ ভিত্তিত পূৰণ কৰা হ'ব। CUET ত অৱত্তীৰ্ণ হোৱা প্ৰাৰ্থীসকলেও ই-সমৰ্থ পৰ্টেলৰ জৰিয়তে আবেদন কৰিব লাগিব।

৪) আবেদনকাৰীয়ে এখন আবেদনত মেজৰ বা অনাৰ্ছ হিচাপে মাত্ৰ এটা বিষয়হে বাচনি কৰিব পাৰিব। দ্বিতীয়, তৃতীয় বা চতুৰ্থ বিকল্প প্ৰধান বিষয়ৰ বাবে একেটা পৰ্টেলতে পৃথকে পৃথকে আবেদন কৰিব পাৰে।

৫) মেধা তালিকা প্ৰস্তুতি তথা নামভৰ্তিৰ নীতি—

ক) যদি কোনো আবেদনকাৰীয়ে সংহত স্নাতকোত্তৰ কাৰ্যসূচী আৰু স্নাতক কাৰ্যসূচী দুয়োটাৰে বাবে আবেদন কৰে তেন্তে সংহত স্নাতকোত্তৰ কাৰ্যসূচীক প্ৰথম পছন্দ হিচাপে গণ্য কৰা হ'ব।

খ) যদি কোনো আবেদনকাৰীয়ে একেটা কাৰ্যসূচীৰ ভিতৰত একাধিক প্ৰধান বিষয়ৰ বাবে আবেদন কৰে, তেন্তে এটাতকৈ অধিক বিষয়ত নাম প্ৰকাশ পোৱাৰ সম্ভাৱনা থাকিলে অগ্ৰাধিকাৰপ্ৰাপ্ত পছন্দৰ বিষয়টোক মেধা তালিকাৰ বাবে বিবেচনা কৰা হ'ব। (উদাহৰণস্বৰূপে, যদি কোনো আবেদনকাৰীয়ে স্নাতক পাঠ্যক্ৰমৰ বাবে দুখন আবেদন দাখিল কৰে আৰু এখনত পদাৰ্থ বিজ্ঞানক প্ৰথম পছন্দ আৰু আনখনত গণিতক দ্বিতীয় পচন্দ হিচাপে উল্লেখ কৰে তেন্তে তেওঁৰ নাম পদাৰ্থ বিজ্ঞানৰ মেধা তালিকাত ৰখা হ'ব।)

গ) যদি দুজন আবেদনকাৰীৰ স্থান একেই হয় তেতিয়া মেজৰ বিষয়ৰ বাবে আবেদন কৰা বিষয়টোত পোৱা নম্বৰক অগ্ৰাধিকাৰ প্ৰদান কৰা হ'ব।

ঘ) ইয়াৰ পিছতো যদি দুজন আবেদনকাৰীৰ স্থান একেই হয় তেন্তে দশম শ্ৰেণীৰ পৰীক্ষাত পোৱা নম্বৰৰ শতকৰা হাৰৰ ভিত্তিত চূড়ান্ত স্থান নিৰ্ণয় কৰা হ'ব।

৬) মহাবিদ্যালয়ৰ ছাত্ৰাবাস বা ছাত্ৰীনিবাসৰ আসনৰ বাবে আবেদন কৰিব বিচৰাসকলে এই গুগল ফৰ্মখনৰ জৰিয়তে আবেদন কৰিব লাগিব। https://forms.gle/QUFQeSUgZ2ebbXir7 (মহাবিদ্যালয় ৱেবচাইটতো ফৰ্মখন পোৱা যাব ***https://nlc.ac.in***)

৭) **EC quota** ত নামভৰ্ত্তিৰ বাবে ইচ্ছুক আবেদনকাৰীসকলে e-Samarth portal ত আবেদন কৰাৰ উপৰিও মহাবিদ্যালয়ৰ অধ্যক্ষক যাৱতীয় প্ৰমাণসহ আবদেন কৰিব লাগিব।

৮) মাচুলৰ গাঁথনি আৰু আনুষংগিক তথ্য পৰৱৰ্তীসময়ত প্ৰকাশ কৰা হ'ব। অসম চৰকাৰৰ বিনামূলীয়া নামভৰ্ত্তি আঁচনিৰ সুবিধা ল'ব বিচৰা আবেদনকাৰীসকলে অসম চৰকাৰৰ এই সম্পৰ্কীয় কাৰ্যালয় স্মাৰক আৰু নিৰ্দেশনাৱলী অনুসৰণ কৰিব।

৯) নামভৰ্ত্তিৰ আনুমানিক সময়সূচীঃ

### NON-CUET

| | |
|---|---|
| সমৰ্থ পৰ্টেলত পঞ্জীয়ন পক্ৰিয়াৰ আৰম্ভণি | ঃ ১১ এপ্ৰিল ২০২৫ |
| আবেদনকাৰীৰ দ্বাৰা পাঠ্যক্ৰম নিৰ্বাচন | ঃ ১২-২২ মে ২০২৫ |
| আবেদনকাৰীৰ দ্বাৰা তথ্যৰ শুদ্ধিকৰণ | ঃ ২৩-২৫ মে ২০২৫ |
| প্ৰথম মেধা তালিকাৰ প্ৰকাশ | ঃ ০২ জুন ২০২৫ |

| | |
|---|---|
| প্ৰথম মেধা তালিকাৰ নামভৰ্ত্তি | ঃ ০৪-০৫ জুন ২০২৫ |
| দ্বিতীয় মেধা তালিকাৰ প্ৰকাশ | ঃ ০৭ জুন ২০২৫ |
| দ্বিতীয় মেধা তালিকাৰ নামভৰ্ত্তি | ঃ ০৯-১১ জুন ২০২৫ |
| স্পট নামভৰ্ত্তি (NON-CUET আৰু CUET) | ঃ ১১-১৪ জুন ২০২৫ |
| শ্ৰেণী আৰম্ভ | ঃ ০১ আগষ্ট ২০২৫ |

## CUET

| | |
|---|---|
| পঞ্জীয়ন আৰু পাঠ্যক্ৰম নিৰ্বাচন | ঃ ০৫-১৩ জুলাই ২০২৫ |
| আবেদনকাৰীৰ দ্বাৰা তথ্যৰ শুদ্ধিকৰণ | ঃ ১৪-১৫ জুলাই ২০২৫ |
| প্ৰথম মেধা তালিকাৰ প্ৰকাশ | ঃ ১৯ জুলাই ২০২৫ |
| প্ৰথম মেধা তালিকাৰ নামভৰ্ত্তি | ঃ ২১-২২ জুলাই ২০২৫ |
| দ্বিতীয় মেধা তালিকাৰ প্ৰকাশ | ঃ ২৩ জুলাই ২০২৫ |
| দ্বিতীয় মেধা তালিকাৰ নামভৰ্ত্তি | ঃ ২৫-২৬ জুলাই ২০২৫ |
| স্পট নামভৰ্ত্তি (NON-CUET আৰু CUET) | ঃ ১১-১৪ জুন ২০২৫ |
| শ্ৰেণী আৰম্ভ | ঃ ০১ আগষ্ট ২০২৫ |

১০) নামভৰ্তি সম্পৰ্কীয় তথ্য আৰু অনুসন্ধানৰ বাবে যোগাযোগ কৰিব (কাৰ্যালয়ৰ সময়ত)—

i) ই মেইল - admissions@nlc.ac.in

ii) https://tinyurl.com/NLU2025

iii) ডক্টৰ বিমান চন্দ্ৰ চেতিয়া, অধ্যক্ষ , ফোন নম্বৰ -6001521032

iv) দিগন্ত কলিতা, ফোন নম্বৰ - 9954642635 (বিজ্ঞান শাখাৰ বাবে)

v) ডক্টৰ দিপাংকৰ চেতিয়া, ফোন নম্বৰ - 6003063897 (বিজ্ঞান শাখাৰ বাবে)

vi) ডক্টৰ দিগন্ত হাতীবৰুৱা, ফোন নম্বৰ - 8638881978 (কলা শাখাৰ বাবে)

vii) ডক্টৰ ৰাতুল কুমাৰ লাহন, ফোন নম্বৰ - 7002182031 (কলা শাখাৰ বাবে)

viii) ৰঞ্জিত পাল, ফোন নম্বৰ - 7002353243 (BCA ৰ বাবে)

ix) কুশল বৰপাত্ৰগোঁহাই, ফোন নম্বৰ- 8011639746 (BPES ৰ বাবে)

x) ডক্টৰ মেৰী চৌধুৰী, ফোন নম্বৰ - 8638016168 (ITEP ৰ বাবে)

(ডক্টৰ বিমান চন্দ্ৰ চেতিয়া)
অধ্যক্ষ
নৰ্থ লখিমপুৰ কলেজ (স্বায়ত্তশাসিত)